# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১১ ডিচেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

## আঁহজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবা হজৰত আলি (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী সম্পৰ্কে ঈমান উদ্দীপক বিৱৰণী

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আগৰ পৰাই হজৰত আলি (ৰাঃ)ৰ বিষয়ে স্মৰণীয় ঘটনাবোৰৰ বৰ্ণনা চলি আছে। উহুদৰ ৰণ ভূমিত যেতিয়া হজৰত মুছাআব বিন উমেৰ (ৰাঃ)শ্বহীদ হৈ গৈছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে যুদ্ধৰ পতাকা হজৰত আলি (ৰাঃ)ৰ হাতত অৰ্পন কৰিছিল। গতিকে তেতিয়াৰ পৰা হজৰত আলি (ৰাঃ)আৰু বাকী মুছলমান সকলে যুদ্ধ চলাই গৈছিল।

এটা ৰিৱায়তত (বৰ্ণনাত) উল্লেখ আছে যে উহুদৰ ৰণ ক্ষেত্ৰত এবাৰ কাফিৰ সকলৰ এজন সেনা নায়ক তালহা বিন আবু তালহা হজৰত আলি (ৰাঃ)ক কৰ্কশ মাতেৰে তাৰ লগত যুঁজ দিবলৈ আহ্বান কৰিছিল। হজৰত আলি (ৰাঃ)য়ে তাৰ ফালে আগবাঢ়ি গৈ এনেকুৱা জোৰেৰে আঘাত হানিছিল যে তালহা বিন আবু তালহা মাটিত বাগৰি পৰি ছটফটাই থাকিছিল। হজৰত আলি (ৰাঃ)য়ে এজনৰ পিছত এজনকৈ কাফিৰ সেনানায়ক সকলক তৰোৱালেৰে হত্যা কৰি গৈছিল আৰু সিহঁতক বিচলিত কৰি পেলাইছিল। হজৰত আলি (ৰাঃ)য়ে যেতিয়া শ্বঈবা বিন মালিকক হত্যা কৰিছিল তেতিয়া হজৰত জিব্ৰাইল আহি ৰছুলুল্লাহ (ছাঃ)ক কৈছিল-ইয়া ৰছুলুল্লাহ (ছাঃ) সঁচাকৈয়ে আলি দুখ বেদনাত সংগী হোৱাৰ উপযুক্ত। এয়া শুনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল হয়! আলি মোৰ সৈতে আছে আৰু মই আলিৰ সৈতে আছো। তেতিয়া হজৰত জিব্ৰাইলে কৈছিল মই আপোনালোক দুয়োৰে সৈতে আছো। হজৰত আলি (ৰাঃ)য়ে বৰ্ণনা কৰিছে য়ে উহুদৰ ৰণত যেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰৰ পৰা সকলো লোকেই আঁতৰি গৈছিল তেতিয়া মই শ্বহীদ সকলৰ লাচৰ মাজত ৰছুলুল্লাহ (ছাঃ)ক বিচাৰিছিলো,কিন্তু তাত পোৱা নাছিলো। তেতিয়া মই কৈছিলো খোদা তা'লাৰ শপত ! ৰছুলুল্লাহ (ছাঃ)পলায়নকাৰী নহয় আৰু মই তেখেত (ছাঃ)ক শ্বহীদ সকলৰ মাজতও বিচাৰি নাপালো; নিশ্চয় আল্লাহ তা'লা আমাৰ ওপৰত অসন্তুষ্ট হৈছে আৰু সি তাৰ নবীক উঠাই লৈ গৈছে। গতিকে এতিয়া মোৰ বাবে উত্তম হ'ব এয়া যে মই ৰণত জপিয়াই পৰো আৰু মোক শত্ৰুয়ে হত্যা কৰি পেলাওঁক। ইয়াৰ পিছত মই নিজৰ তৰোৱালৰ খাপ ভাঙি পেলাইছিলো আৰু কাফিৰ সকলৰ ওপৰত তুমুল আক্ৰমণ চলাইছিলো। আক্ৰমণৰ প্ৰকোপত সিহঁতে ইফালে সিফালে ছেদেলি-ভেদেলি হৈ পৰিছিল; তেতিয়া দেখিছিলো যে ৰছুলুল্লাহ (ছাঃ)তেওঁলোকৰ বেষ্টনীৰ মাজত পৰিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়াই আছিল প্ৰেম আৰু আনুগত্যৰ সেই অনুপম কাহিনী, যি সৰুতে লোৱা শপতৰ পৰা আৰম্ভ হৈছে আৰু প্ৰত্যেক

প্ৰয়োজনতে নিজৰ চমক প্ৰদৰ্শন কৰি আহিছে। হজৰত ছুহেল বিন ছাআদ বৰ্ণনা কৰিছে যে উহুদৰ যুদ্ধ ক্ষেত্ৰত আঁ-হজৰত (ছাঃ)য়ে পোৱা আঘাতৰ ক্ষতস্থান হজৰত ফাতিমা (ৰাঃ)য়ে ধুই আছিল আৰু হজৰত আলি (ৰাঃ)য়ে তাত পানী ঢালি দিছিল।

খন্দকৰ যুদ্ধত হজৰত আলি (ৰাঃ)য়ে প্ৰদৰ্শন কৰা বীৰত্ব সম্পৰ্কে বৰ্ণনা কৰোঁতে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব এম,এ (ৰাঃ)য়ে লিখিছে যে উমৰু এজন বিখ্যাত তৰোৱাল যুদ্ধা আছিল আৰু নিজৰ বীৰত্বৰ বলত তেওঁক অকলেই এহেজাৰ সৈন্যৰ সমান বুলি ধাৰণা কৰা হৈছিল। তেওঁ ৰণ ভূমিত পৰ্দাপণ কৰি বৰ অহংকাৰ দেখুৱাই সমৰ মূখী সৈন্যক লড়াই কৰিবলৈ আহ্বান কৰিছিল। তেতিয়া আঁ-হজৰত (ছাঃ)ৰ অনুমতি ক্ৰমে হজৰত আলি (ৰাঃ)য়ে উমৰুৰ লগত যুদ্ধ কৰিবলৈ ওলাইছিল আৰু আঁ-হজৰত (ছাঃ)য়ে নিজৰ তৰোৱালখন এখেত (ৰাঃ)ক দিছিল আৰু দোৱা কৰিছিল। হজৰত আলি (ৰাঃ) য়ে আগবাঢ়ি গৈ উমৰুক কৈছিল- মই শুনিছো যে তুমি এয়া শপত লৈছা যে যদি কুৰাইছসকলৰ পৰা কোনো ব্যক্তিয়ে দুটা বিষয়ে তোমাৰ ওচৰত আবেদন কৰে তেন্তে তুমি তাৰ পৰা এটা বিষয় নিশ্চয় মানি ল'বা। উমৰু উত্তৰ দিছিল হয়!  তেতিয়া হজৰত আলি (ৰাঃ)য়ে কৈছিল- তেন্তে মোৰ তোমাৰ ওচৰত প্ৰথম আবেদন হ'ল যে তুমি মুছলমান হৈ যোৱা আৰু আঁ-হজৰত (ছাঃ)ক মানি লৈ খোদা তা'লাৰ পুৰস্কাৰৰ অংশীদাৰ হোৱা। তেতিয়া উমৰু কৈছিল এয়া হ'ব নোৱাৰে। হজৰত আলি (ৰাঃ)য়ে কৈছিল- যদি এই কথাখিনি মানি নোলোৱা তেন্তে আহা মোৰ লগত যুঁজ দিবলৈ সাজু হৈ যোৱা। এইবোৰ কথা শুনি উমৰু হাঁহিবলৈ লৈছিল আৰু কৈছিল- মই ভৱা নাছিলো যে কোনো ব্যক্তিয়ে মোৰ লগত এনেকুৱা শব্দ ক'ব পাৰিব। তেওঁ কৈছিল তুমি এতিয়াও বালক মই তোমাৰ তেজ নিৰ্গত কৰিব বিচৰা নাই; ডাঙৰ অইন কোনোবাক পঠাই  দিয়া। এইবোৰ কথা শুনি হজৰত আলি (ৰাঃ)য়ে উত্তৰ দিছিল যে তুমি মোৰ তেজ বোৱাবলৈ বিচৰা নাই কিন্তু মই তোমাৰ তেজ নিৰ্গত কৰিবলৈ পলম নকৰো।তেতিয়া উমৰু ক্ৰোধত অন্ধ হৈ নিজৰ ঘোঁৰাৰ পৰা নামি অগ্নি স্ফুলিঙ্গৰ দৰে হজৰত আলি (ৰাঃ)ৰ ফালে চোঁচা লৈ আহি তৰোৱালেৰে ইমান জোৰেৰে প্ৰহাৰ কৰিছিল যে হজৰত আলি (ৰাঃ)ৰ ঢাল দোছোৱা হৈ তৰোৱাল এখেত (ৰাঃ)ৰ কপালত লাগিছিল আৰু সামান্য পৰিমাণে কপালত ক্ষত হৈছিল। কিন্তু তৎক্ষণাত হজৰত আলি (ৰাঃ)য়ে আল্লাহু আকবৰ ধ্বনি দি এনেকুৱা আঘাত হানিছিল যে উমৰু নিজকে নিজে বচাব নোৱাৰিছিল আৰু হজৰত আলি (ৰাঃ)ৰ তৰোৱাল উমৰুৰ কান্ধৰ পৰা কাটি তলফালে দুফাল কৰি নামি গৈছিল আৰু উমৰু মাটিত পৰি ছটফটাই প্ৰাণ দিছিল।

হুদায়বিয়াৰ সন্ধিৰ সময়ত হজৰত আলি (ৰাঃ)ক সন্ধি পত্ৰ লিখাৰ দায়িত্ব  দিয়া হৈছিল। তেখেত লিখিছিল যে এই চুক্তি মহম্মদ ৰছুলুল্লাহ (ছাঃ)আৰু তেখেতৰ লগৰীয়া আৰু মক্কাবাসী সকলৰ মাজত সন্নিবিষ্ট কৰা হ'ল। এই বাক্য ফাকিৰ ওপৰত কাফিৰ সকলে জাঙুৰ খাই উঠিছিল। তেওঁলোকে কৈছিল আমি এই শব্দ বিলাক মানি নলওঁ কাৰণ আমি মহম্মদ (ছাঃ)ক ৰছুলুল্লাহ বুলি নামানো যদি মানিলোহেঁতেন তেন্তে তেওঁৰ লগত আমাৰ কাজিয়া কিহৰ বাবে হ'ব। ৰছুলে কৰীম (ছাঃ)য়ে কৈছিল- এওঁলোক ঠিকেই কৈছে; চুক্তি পত্ৰৰ পৰা ৰছুলুল্লাহ শব্দটো কাটি দিয়াই ভাল। আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক কৈছিল- যে সেই শব্দটো গুচাই দিয়া কিন্তু হজৰত আলি (ৰাঃ) যিজন এজন আজ্ঞাবহ আৰু আনুগত্যৰ উচ্চ উদাহৰণ আছিল তেখেতৰ হৃদয় কঁপি উঠিছিল।

হজৰত আলি (ৰাঃ)ৰ চকুত চকুলো বৈ আহিছিল আৰু এখেত (ৰাঃ)য়ে কৈছিল- ইয়া ৰছুলুল্লাহ (ছাঃ) মোৰ দ্বাৰা এই শব্দ গুচোৱা নহ'ব। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল- লৈ আনা কাগজখন মোক দিয়া আৰু কাগজখন লৈ তেখেত (ছাঃ)য়ে নিজ হাতেৰে ৰছুলুল্লাহ শব্দটো মচি দিছিল। খায়বাৰৰ ৰণ প্ৰান্তত খায়বৰৰ চৰ্দাৰ মৰহবে নিজৰ তৰোৱালখন দাঙি লৈ ওলাই আহিছিল আৰু কৈছিল যে গোটা খায়বৰে জানে যে মই মৰহব এজন সুদক্ষ

অস্ত্ৰধাৰী বীৰ হওঁ। সেই সময়ত হজৰত আলি (ৰাঃ)ৰ চকুৰ বেমাৰ চলি আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল- মই সেইজন ব্যক্তিৰ হাতত পতাকা অৰ্পন কৰিম যিজনে আল্লাহ আৰু তাৰ ৰছুলক ভাল পায়, আৰু আল্লাহ আৰু তাৰ ৰছুলেও তাক ভাল পায়। ইয়াৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ চকুযুৰিত নিজৰ মুখৰ লালবীজ লগাই দিছিল আৰু এখেত (ৰাঃ)ৰ চকু ঠিক হৈ গৈছিল। আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ হাতত পতাকা অৰ্পন কৰিছিল। সিফালে খায়বৰৰ নেতা মৰহব ওলাই আহিছিল আৰু কৈছিল যে গোটা খায়বাৰে জানে মই মৰহব এজন অস্ত্ৰধাৰী সুনিপুণ বীৰ যুদ্ধা হওঁ। তেতিয়া যুদ্ধৰ অগ্নি স্ফুলিঙ্গ বিচ্ছুৰিত হ'বলৈ লৈছিল। হজৰত আলি (ৰাঃ)য়ে কৈছিল যে মোৰ মাকে মোৰ নাম হায়দৰ ৰাখিছে ভয়ানক আকৃতিৰ বাঘৰ দৰে, যিয়ে অৰণ্যত ৰাজ কৰি ফুৰে। হজৰত আলি (ৰাঃ) য়ে মৰহবৰ মূৰত প্ৰহাৰ কৰি হত্যা কৰিছিল আৰু হজৰত আলি (ৰাঃ)ৰ হাতত খায়বৰ বিজয় হৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, উক্ত খায়বৰৰ যুদ্ধত হজৰত আলি (ৰাঃ)ৰ এটা ঈমান উদ্দীপক উদাহৰণ ৰৈ আছে। হজৰত আলি (ৰাঃ)ৰ সৈতে ৰণ ভূমিত এজন ইহুদী সেনা নায়কৰ মোকাবিলা হৈছিল। হজৰত আলি (ৰাঃ)য়ে তেওঁক পৰাজিত কৰি অৱশেষত মাটিত বগৰাই পেলাই বুকুৰ ওপৰত উঠি বহি লৈছিল আৰু তাক মাৰি পেলোৱাৰ সিদ্ধান্ত লৈছিল। এনেতে সেই লোক জনে তলৰ পৰা হজৰত আলি (ৰাঃ)ৰ মুখমণ্ডললৈ থু দিছিল। এই ঘটনা ঘটি যোৱাৰ লগে লগে হজৰত আলি (ৰাঃ)য়ে সেই ইহুদীজনক এৰি দি গুচি আহিছিল। হজৰত আলি (ৰাঃ)ৰ এই কাৰ্য্যত ইহুদীজনে বৰ আচৰিত হৈছিল। তেওঁ হজৰত আলি (ৰাঃ)ক সুধিছিল যে আপুনি মোক কিয় এৰি থৈ গুচি আহিলে? তেতিয়া এখেত (ৰাঃ)য়ে কৈছিল-মই তোমাৰ লগত খোদা তা'লাৰ সন্তুষ্টিৰ বাবে লড়াই কৰি আছিলো। কিন্তু তুমি যেতিয়া মোৰ মুখলৈ থুৱাই দিছিলা তেতিয়া মোৰ খং উঠি গ'ল আৰু তেতিয়া মই ভাৱিলো যে এতিয়া যদি মই তোমাক হত্যা কৰো তেন্তে এই হত্যা মোৰ নিজৰ প্ৰাণৰ বাবেহে কৰা হ'ব,খোদা তা'লাৰ বাবে নহ'ব। গতিকে মই তোমাক এৰি গুচি আহিছো যাতে ক্ৰোধ দূৰ হৈ যায় আৰু মই তোমাক হত্যা কৰাটো মোৰ প্ৰাণৰ বাবে নহয়। এয়া আছিল মহান দৃষ্টান্তমূলক ঘটনা।

হুনায়েনৰ যুদ্ধ যি আঠ হিজৰী চনৰ শ্বোৱাল মাহত সংগঠিত হৈছিল। উক্ত যুদ্ধ মুহাজিৰিণ সকলৰ পতাকা হজৰত আলি (ৰাঃ)ৰ ওচৰত আছিল। যেতিয়া তুমুল যুদ্ধ আৰম্ভ হৈছিল আৰু কাফিৰ সকলৰ তীব্ৰ আক্ৰমণৰ ফলত আঁ-হজৰত (ছাঃ)ৰ ওচৰত মাত্ৰ কেইবাজনমান চাহাবাহে ৰৈ আছিল, সেই কেইজন চাহাবাৰ মাজত হজৰত আলি (ৰাঃ)ও আছিল।

নৱম হিজৰী চনৰ ৰজব মাহত তবুকৰ যুদ্ধ সংগঠিত হৈছিল। এই যুদ্ধৰ বৰ্ণনাত উল্লেখ আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে নিজে তবুকলৈ যাত্ৰা কৰিছিল আৰু হজৰত আলি (ৰাঃ)ক মদিনাত নিজৰ কায়েম মকাম নিযুক্ত কৰি থৈ গৈছিল। হজৰত আলি (ৰাঃ)য়ে নিবেদন কৰিছিল কিয় আপুনি মোক বালক-বালিকা আৰু মহিলা সকলৰ লগত এৰি থৈ গৈ আছে। আঁ-হজৰত (ছাঃ)য়ে কৈছিল- কিয় তুমি আনন্দিত নহ'বানে যে তোমাৰ স্থান মোৰ সৈতে তেনেকুৱা যেনেকুৱা হাৰুনৰ স্থান মুছাৰ সৈতে আছিল। কিন্তু কথা হ'ল এয়া যে মোৰ পিছত কোনো নবী নাই।

আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক ১০ হিজৰী চনত ইয়ামিনলৈ পঠাই দিছিল। হজৰত আলি (ৰাঃ)য়ে ইয়ামিনৰ বাসিন্দা সকলক আঁ-হজৰত (ছাঃ)য়ে প্ৰেৰণ কৰা পত্ৰ পঢ়ি শুনাইছিল আৰু গোটেই হামদানৰ লোক এদিনতে ইছলাম গ্ৰহণ কৰিছিল। ইয়াৰ পিছত ইয়ামিনৰ বাসিন্দা সকলেও ইছলাম গ্ৰহণ কৰিছিল ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক ইয়ামিনৰ কাজি হিচাপে নিযুক্তি কৰিছিল। আঁ-হজৰত (ছাঃ)য়ে কৈছিল- নিশ্চয় আল্লাহ তোমাৰ হৃদয়ত হিদায়ত (জ্ঞান) প্ৰদান কৰিব আৰু তোমাৰ কথা প্ৰতিষ্ঠিত (বাহাল) ৰাখিব। গতিকে যেতিয়া

তোমাৰ ওচৰত কাজিয়া কৰা দুয়োটা পক্ষই আহিব; তেতিয়া তুমি সোনকালতে ৰায় প্ৰদান নকৰিবা; যেতিয়ালৈকে তুমি আনটো পক্ষৰ পৰা শুনি নোলোৱা; যেনেকৈ আগৰ পক্ষৰ পৰা শুনিছা। এনেকুৱা কৰিলে অতি সম্ভৱ যে তোমাৰ বাবে মীমাংসা দিয়াটো সহজ হ'ব। হজৰত আলি (ৰাঃ)য়ে কৈছে যে ইয়াৰ পিছত মীমাংসা দিয়াৰ ক্ষেত্ৰত কেতিয়াও কোনো অসুবিধা হোৱা নাই।

আন এটা ৰিৱায়তত উল্লেখ আছে আঁ-হজৰত (ছাঃ)য়ে কৈছে যিজনে হজৰত আলিক কষ্ট দিছে তেওঁ মোক কষ্ট দিছে।

আঁ-হজৰত (ছাঃ)য়ে কৈছে হে লোকসকল! তোমালোকে আলিৰ বিৰুদ্ধে অভিযোগ নকৰিবা; খোদাৰ শপত ! তেওঁ আল্লাহৰ সত্তাৰ বৰ ভয় কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিও মই দোৱা কৰাৰ ফালে মনোযোগ আকৰ্ষণ কৰিছোঁ। যোৱা জুমাত আল জজায়েৰৰ কথা উল্লেখ কৰা হোৱা নাই। তাতেও আহমদী সকলৰ ওপৰত বৰ কঠোৰ পৰিস্থিতি চলি আছে আৰু কিছুমানক কয়েদী বনাই লোৱা হৈছে। তেওঁলোকৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা তেওঁলোকৰ পৰিস্থিতি সহজ কৰি দিয়ে আৰু বন্দী সকলক মুক্তিৰ উপায় দান কৰে আৰু শাসকক প্ৰজ্ঞা দান কৰে যাতে ন্যায় পথ অৱলম্বন কৰি আহমদী সকলৰ অধিকাৰ প্ৰদান কৰোঁতা হয়। এনেদৰে পাকিস্তানৰ বাবেও দোৱা কৰিব; যদি সেই মৌলবী সকল আৰু বিষয়াবৰ্গৰ দুৰ্কপালেই এনে হয় যে তেওঁলোকে এনে কাম কৰি থাকিব আৰু আল্লাহ তা'লাৰ ক্ৰোধৰ বলি হ'ব তেন্তে আল্লাহ তা'লা অতি সোনকালে সিহঁতৰ গ্ৰেপ্তাৰীৰ সুবন্ধৱস্থ কৰে যেন আৰু আহমদীসকলৰ বাবে সহজ সৰলতাৰ জন্ম দিয়ে যেন। আমিন-

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম ৰশিদ আহমদ চাহাব মৰহুম অফ পাকিস্তানৰ পৱিত্ৰ গুণাৱলীৰ চমু আভাস দি নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 11 DECEMBER 2020**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**